**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। অপাৰেচন সিন্দূৰ কেৱল এটা নাম নহয়, বৰং ই কোটি কোটি লোকৰ সৈতে জড়িত এক আৱেগ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাৰতীয় সেনাৰ বীৰত্বক প্ৰশংসা কৰাৰ লগতে সেনাবাহিনীক দেশৰ ঢাল আৰু শত্ৰু ধবংসকাৰী বুলি অভিহিত কৰে।

৩। বায়ুসেনাৰ সঞ্চালকপ্ৰধান এয়াৰ মাৰ্চেল এ কে ভাৰতীয়ে সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদক সমৰ্থন কৰা আন্তঃগাঁথনিৰ বিৰুদ্ধেহে ভাৰতে যুঁজ দিছিল, পাকিস্তানী সেনাৰ সৈতে নহয় বুলি প্ৰকাশ কৰে।

৪। অপাৰেচন সিন্দূৰৰ সফলতাৰ পাছত বিজেপিয়ে আজিৰ পৰা দেশজুৰি ১১ দিনীয়া ত্ৰিৰংগা যাত্ৰাৰ আয়োজন কৰিছে। *আৰু*

৫। এসপ্তাহজোৰা বিৰতিৰ পাছত অহা ১৭ মে'ৰ পৰা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ পুনৰ আৰম্ভ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে অপাৰেচন সিন্দূৰ সাময়িকভাৱে স্থগিত ৰখা হৈছে। তেওঁ কয়, যে আগন্তুক দিনবোৰত সন্ত্ৰাসবাদ সন্দৰ্ভত পাকিস্তানৰ প্ৰতিটো কাৰ্যকলাপ ভাৰতে নিৰীক্ষণ কৰি ভৱিষ্যতৰ কাৰ্যপন্থা গ্ৰহণ কৰিব। কালি সন্ধিয়া ভিডিঅ' কনফাৰেন্সযোগে ৰাষ্ট্ৰক সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে অপাৰেচন সিন্দূৰ আৰম্ভ হোৱাৰ ৩ দিনৰ ভিতৰতে পাকিস্তানৰ বহু ক্ষতি হৈছে। শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ আক্ৰমণাত্মক আগ্ৰাসী স্থিতিয়ে পাকিস্তানক বিধবস্ত কৰাৰ লগতে এই উত্তেজনাৰ পৰা ৰক্ষা পাবলৈ পাকিস্তানে বিশ্ব সম্প্ৰদায়ৰ ওচৰত সাহায্য বিচাৰিবলগীয়া হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে পাকিস্তানৰ বিস্তৰ ক্ষতি হোৱাৰ পাছত বিগত ১০ মে'ত পাকিস্তানী সেনাই আমাৰ সেনাবাহিনীৰ মহানিৰ্দেশক-ডিজিএমঅ'ৰ সৈতে সম্পৰ্ক স্থাপন কৰে। শ্ৰীমোদীয়ে কয়, যে পাকিস্তানে ভাৰতৰ বিৰুদ্ধে সকলো ধৰণৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ আৰু সেনাৰ আক্ৰমণ বন্ধ কৰিব বুলি নিশ্চিত কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰে পৰিপ্ৰেক্ষিতত ভাৰতে পৰিস্থিতিৰ পৰ্যালোচনা কৰে আৰু সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ভাৰতে চলোৱা অভিযান সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে অপাৰেচন সিন্দূৰ কেৱল এটা নাম নহয়, বৰং ই কোটি কোটি লোকৰ সৈতে জড়িত এক আৱেগ। তেওঁ এই অভিযানক ন্যায়ৰ বাবে প্ৰতিজ্ঞা বুলিও প্ৰকাশ কৰে।

অপাৰেচন সিন্দূৰক সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ এক প্ৰতিষ্ঠিত নীতি বুলি প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰে। এই অভিযানে ভাৰতৰ ৰণনীতিক দৃষ্টিকোণৰ ক্ষেত্ৰত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কৰা যুঁজখনত এক নতুন পৰিমাপক আৰু এটা নতুন বিধি নিৰ্ধাৰণ কৰি দিছে।

প্ৰধানমন্ত্ৰী তেওঁৰ ভাষণত ভাৰতৰ তিনিটা প্ৰধান সুৰক্ষা স্তম্ভৰ কথা উল্লেখ কৰি কয়, যে ইয়াৰে প্ৰথম স্তম্ভটোৱে হৈছে নিৰ্ণায়ক প্ৰতিশোধ। তেওঁ কয়, যে যদি ভাৰতৰ ওপৰত সন্ত্ৰাসবাদীৰ আক্ৰমণ হয় তেন্তে ইয়াৰ উচিত প্ৰত্যুত্তৰ দিয়া হ'ব। দ্বিতীয়তে তেওঁ উল্লেখ কৰে যে কোনোধৰণৰ পৰমাণু ভাবুকিক ভাৰতে গুৰুত্ব নিদিয়ে। প্ৰধানমন্ত্ৰীয়ে কোৱা তৃতীয়টো স্তম্ভ হৈছে ভাৰতে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষক আৰু সন্ত্ৰাসবাদীৰ মাজত কোনো ধৰণৰ পাৰ্থক্য নাৰাখে। কিয়নো ভাৰতে দীৰ্ঘদিনৰ বাবে সন্ত্ৰাসবাদী নেতাসকলক চাব নিবিচৰাৰ লগতে সন্ত্ৰাসবাদীক ৰক্ষণাবেক্ষণ চৰকাৰকো অন্য দৃষ্টিৰে গ্ৰহণ নকৰে।

শ্ৰীমোদীয়ে আঙুলীয়াই দিয়ে যে অপাৰেচন সিন্দূৰৰ সময়ত বিশ্বই পাকিস্তানৰ প্ৰকৃত স্বৰূপ আকৌ এবাৰ উপলব্ধি কৰিলে। কিয়নো সন্ত্ৰাসবাদীৰ জানাজাত পাকিস্তানৰ উচ্চপদস্থ সেনা বিষয়া উপস্থিত হোৱাৰ কথাটোৱে দেশখনৰ সন্ত্ৰাসবাদীৰ সৈতে থকা সু-সম্পৰ্কৰ কথা বিশ্ববাসীৰ আগত উদঙাই দিলে। প্ৰধানমন্ত্ৰীয়ে দৃঢ়তাৰে কয়, যে ভাৰতে নিজৰ নাগৰিকৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব।

সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজখনত ভাৰতৰ নাগৰিকৰ একতাই শক্তি হিচাপে ভূমিকা গ্ৰহণ কৰিছিল। সুন্দৰ আৰু সুৰক্ষিত বিশ্বৰ বাবে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্যসহনশীলতা নীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰতো তেওঁ গুৰুত্ব প্ৰদান কৰে। শ্ৰীমোদীয়ে পাকিস্তানৰ সেনা আৰু চৰকাৰক সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰাৰ বাবে সমালোচনা কৰে। তেওঁ কয়, যে এইধৰণৰ কাৰ্যকলাপে পাকিস্তানকেই ধ্বংস কৰিব। তেওঁ কয়, যে পাকিস্তানে বিশ্বত নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ হ'লে সন্ত্ৰাসবাদৰ আন্তঃগাঁথনি ধ্বংস কৰিব লাগিব। তেওঁ দৃঢ়তাৰে কয়, যে সন্ত্ৰাসবাদ আৰু আলোচনা, সন্ত্ৰাসবাদ আৰু বাণিজ্য একেসময়তে হ'ব নোৱাৰে। সেইদৰে একে সময়তে তেজ আৰু পানীও ব'ব নোৱাৰে। তেওঁ বিশ্ব সম্প্ৰদায়ক এই বুলিও বাৰ্তা প্ৰেৰণ কৰে যে পাকিস্তানৰ সৈতে সন্ত্ৰাসবাদ তথা পাকিস্তান অধিকৃত সম্পৰ্কতহে আলোচনা হ'ব পাৰে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত সেনা বাহিনীক, চোৰাংচোৱা সংস্থা আৰু বিজ্ঞানীসকলক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ অভিযানৰ সময়ত সেনাবাহিনীৰ বীৰত্ব, শৌৰ্য আৰু সাহসক প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত যিকোনো ধৰণৰ সন্ত্ৰাসবাদী আক্ৰমণ প্ৰতিহত কৰাৰ ক্ষেত্ৰত সেনাবাহিনীক সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰাৰ কথা ঘোষণা কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভাৰতীয় সেনাৰ বীৰত্বক প্ৰশংসা কৰাৰ লগতে সেনাবাহিনীক দেশৰ ঢাল আৰু শত্ৰু ধ্বংসকাৰী বুলি অভিহিত কৰে। সামাজিক মাধ্যমৰ এটা পষ্টত শ্ৰীশ্বাহে পেহেলগামত নিহতসকলৰ আত্মাৰ প্ৰতি যথোচিত ন্যায় কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টান্তমূলক নেতৃত্বক শুভেচ্ছা জনায়। শ্ৰীশ্বাহে লগতে কয়, প্ৰধানমন্ত্ৰীয়ে দেশৰ শত্ৰুক সাৰি যাবলৈ দিয়া নাই। শ্ৰীশ্বাহে সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানসকলৰো প্ৰশংসা কৰে। ইপিনে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰধানমন্ত্ৰীক প্ৰশংসা কৰি কয়, যে ৰাষ্ট্ৰক সম্বোধি দিয়া প্ৰধানমন্ত্ৰী ভাষণ অতি প্ৰেৰণাদায়ক।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা জগত প্ৰকাশ নাড্ডাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণৰ প্ৰশংসা কৰে। তেওঁ কয়, যে পাকিস্তান আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ প্ৰতিশ্ৰুতিৰ কথা প্ৰধানমন্ত্ৰীৰ ভাষণত প্ৰতিফলিত হৈছে। সামাজিক মাধ্যমৰ এটা পষ্টত বিজেপি নেতাগৰাকীয়ে কয়, যে অপাৰেচন সিন্দূৰৰ অধীনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাকিস্তানক সকীয়নি দিয়াৰ

লগতে ভাৰতীয় সেনাৰ বীৰত্বৰ কথা দোহাৰিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীয়ে এই কথা উল্লেখ কৰিছে যদিহে পাকিস্তানৰ সৈতে কোনো আলোচনা হয় তেন্তে কেৱল সন্ত্ৰাসবাদ আৰু পাকিস্তান অধিকৃত কাশ্মীৰ সম্পৰ্কতহে আলোচনা হ'ব। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণৰ জৰিয়তে সমগ্ৰ বিশ্বকে বুদ্ধৰ বাৰ্তা প্ৰেৰণ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দেশে শক্তিশালী হোৱাৰ লগতে সমৃদ্ধি লাভ কৰিছে। তেওঁ কয়, যে ভাৰতীয় নাগিৰকসকলৰ নিৰাপত্তা হৈছে চৰকাৰৰ প্ৰথম অগ্ৰাধিকাৰ আৰু চৰকাৰে সন্ত্ৰাসবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ বাবে বদ্ধপৰিকৰ।

০০০০০

বায়ুসেনাৰ সামৰিক অভিযানৰ সঞ্চালকপ্ৰধান এয়াৰ মাৰ্ছেল এ কে ভাৰতীয়ে কয়, যে সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদক সমৰ্থন কৰা আন্তঃগাঁথনিৰ বিৰুদ্ধেহে ভাৰতে যুঁজ দিছিল, পাকিস্তানী সেনাৰ সৈতে নহয়। পাকিস্তানী সেনাই এই ক্ষেত্ৰত হস্তক্ষেপ কৰি ভাৰতীয় সশস্ত্ৰ বাহিনীক প্ৰত্যুত্তৰ দিবলৈ বাধ্য কৰোৱাটো দুখৰ বিষয় বুলি  সঞ্চালকপ্ৰধানগৰাকীয়ে মন্তব্য কৰে। নতুন দিল্লীত কালি অপাৰেচন সিন্দূৰ সন্দৰ্ভত এখন সংবাদমেলত অংশ লৈ এয়াৰ মাৰ্ছেলগৰাকীয়ে  সেনা বাহিনীয়ে এই অভিযানৰ সময়ত কেনেদৰে দেশৰ অসামৰিক লোক আৰু সামৰিক আন্তঃগাথনিৰ ক্ষতি পাৰ্যমানে কম কৰে সেই সন্দৰ্ভত সবিশেষ প্ৰকাশ কৰে। তেওঁ সশস্ত্ৰ সেনা বাহিনীৰ সংহত বায়ু প্ৰতিৰক্ষা ব্যৱস্থাৰ কথা উল্লেখ কৰি কয়, যে ইয়াত প্ৰতিৰক্ষা, নৌ আৰু বায়ু সেনাৰ প্ৰতিৰক্ষা ব্যৱস্থা অন্তৰ্ভুক্ত হৈ আছে। পাকিস্তানে  বহু সংখ্যক ড্ৰোন আৰু মানৱবিহীন যুদ্ধ বিমানেৰে আক্ৰমণ কৰাৰ কথা প্ৰকাশ কৰি শ্ৰীভাৰতীয়ে কয়, যে এই আক্ৰমণক সু-প্ৰশিক্ষিত বায়ুসেনাৰ জোৱান তথা থলুৱাভাৱে বিকশাই তোলা ছুফ্‌ট আৰু হাৰ্ড কিল কাউণ্টাৰ - ইউ এ এছ ব্যৱস্থাৰে প্ৰতিহত কৰা হয়। বিগত সপ্তাহত শত্ৰুপক্ষৰ সৈতে হোৱা সংঘৰ্ষৰ পৰিণতি সন্দৰ্ভত এয়াৰ মাৰ্ছেল গৰাকীয়ে কয়, যে চীনত নিৰ্মিত পাকিস্তানৰ পি এল-15 ক্ষেপণাস্ত্ৰ লক্ষ্যভ্ৰষ্ট হয় আৰু গোলাবাৰুদ তথা মানৱবিহীন যুদ্ধবিমানো ধবংস কৰা হয়। ভাৰতৰ প্ৰত্যাক্ৰমণ সন্দৰ্ভত সঞ্চালকপ্ৰধানগৰাকীয়ে নুৰখান আৰু ৰাময়াৰ খান বায়ুসেনা ঘাটিত আক্ৰমণৰ কথা উল্লেখ কৰি কয়, যে ভাৰতে শত্ৰুপক্ষৰ প্ৰতিটো ক্ষেত্ৰকে লক্ষ্য কৰি লৈছিল। শ্ৰীভাৰতীয়ে এই অভিযানত সীমান্ত সুৰক্ষা বাহিনীৰ সহযোগিতাৰ প্ৰশংসা কৰে। তেঁও কয় যে তিনিওটা বাহিনীৰ মাজৰ পূৰ্ণ সহযোগিতাই অপাৰেচন সিন্দূৰ সফল হোৱাত সহায় কৰিলে। এই অভিযানৰ প্ৰতি চৰকাৰ, বিভিন্ন বিভাগ আৰু সংস্থাৰ লগতে ১৪০ কোটি ভাৰতীয় নাগৰিকৰ পূৰ্ণ সমৰ্থন আছিল বুলি শ্ৰীভাৰতীয়ে প্ৰকাশ কৰে।

০০০০০

অপাৰেচন সিন্দুৰৰ সফলতাৰ পাছত বিজেপিয়ে আজিৰেপৰা দেশজুৰি ১১ দিনীয়া ত্ৰিৰংগা যাত্ৰাৰ আয়োজন কৰিছে। মোডী চৰকাৰৰ দৃঢ় নেতৃত্ব আৰু সশস্ত্ৰ বাহিনীৰ বীৰত্বৰ বিষয়ে  জনসাধাৰণৰ মাজত প্ৰচাৰৰ অংশ হিচাপে বিজেপিয়ে এই ত্ৰিৰংগা যাত্ৰাৰ আয়োজন কৰিছে। চলিত মাহৰ ২৩ তাৰিখলৈ হ'বলগীয়া এই অভিযানত সমাজৰ বিশিষ্ট ব্যক্তি, প্ৰাক্তন সেনা আৰু সমাজকৰ্মীসকলেও ভাগ ল'ব। দলীয় সূত্ৰই জনোৱা মতে, এই অভিযান ৰাজনৈতিক নহৈ সমাজৰ সকলো শ্ৰেণীৰ লোকৰ পৰা সমৰ্থন লাভ কৰা এটা বিষয়ৰ প্ৰতি মানুহক সজাগ কৰাৰ এটা প্ৰচেষ্টা।

০০০০০

আমেৰিকাই ভাৰত আৰু পাকিস্তানৰ সৈতে আৰু অধিক ব্যৱসায়-বাণিজ্য কৰিবলৈ মন মেলি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দেশ দুখনৰ মাজৰ সংঘাত আগতীয়াকৈ বন্ধ কৰি দিয়া বুলি জনোৱা দাবীক ভাৰতে খণ্ডন কৰিছে। বৈদেশিক মন্ত্ৰালয়ৰ সূত্ৰই জনোৱা মতে, ৯ মে'ত আমেৰিকাৰ উপ- ৰাষ্ট্ৰপতি জে ডি ভেন্স আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মাজত হোৱা আলোচনাত বাণিজ্যৰ কোনো উল্লেখ নাছিল। সূত্ৰসমূহে জনোৱা অনুসৰি, অপাৰেচন সিন্দুৰ আৰম্ভ হোৱাৰ পাছত আমেৰিকাৰ সচিব মাৰ্কো ৰুবিঅ' এ ৮ আৰু ১০ মে'ত ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ আৰু ১০ মে'ত এন এছ এ অজিত দোভলৰ সৈতে কথা পাতিছিল। তেওঁলোকে কয় যে এই আলোচনাত বাণিজ্যৰ কোনো উল্লেখ নাই।

সংবাদমেলত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয় যে তেওঁ ভাৰত আৰু পাকিস্তানৰ সৈতে আৰু অধিক বাণিজ্য কৰাৰ প্ৰতিশ্ৰুতি দিছে যাতে দেশকেইখনে যুদ্ধবিৰতিৰ বাবে সন্মতি দিয়ে।

00000

জম্মু-কাশ্মীৰ চৰকাৰে আজিৰে পৰা জম্মুৰ অসীমান্ত জিলাৰ লগতে কাশ্মীৰ সংমণ্ডলৰ বিদ্যালয়-মহাবিদ্যালয়সমূহ পুনৰ মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষামন্ত্ৰী চাকিনা ইটুৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা প্ৰকাশ কৰিছে। শেহতীয়াকৈ সীমা অতিক্ৰমি হোৱা আক্ৰমণ-প্ৰত্যাক্ৰমণৰ পাছৰ পৰিস্থিতিৰ বিস্তৃত পৰ্যালোচনাৰ অন্তত বিদ্যালয়-মহাবিদ্যালয়সমূহ খোলাৰ সিদ্ধান্ত লোৱা হৈছে। ইপিনে, ছাত্ৰ-ছাত্ৰীৰ লগতে কৰ্মচাৰীৰৰ সুৰক্ষাৰ বাবে সতৰ্কতামূলক ব্যৱস্থা হিচাপে সীমান্ত অঞ্চলৰ শিক্ষানুষ্ঠানসমূহ বন্ধ থাকিব।

00000

ভাৰত আৰু পাকিস্তানৰ মাজত বৃদ্ধি পোৱা উত্তেজনাৰ বাবে এসপ্তাহজোৰা বিৰতিৰ পাছত চলিত মাহৰ ১৭ তাৰিখৰ পৰা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ ২০২৫ পুনৰ আৰম্ভ হ'ব বুলি ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডে ঘোষণা কৰিছে। উল্লেখযোগ্য যে ভাৰতে অপাৰেচন সিন্দুৰ আৰম্ভ কৰাৰ পাছত ৯ মে'ত আই পি এলৰ সকলো মেচ স্থগিত ৰখা হৈছিল।

১৭ মে'ত আই পি এল পুনৰ আৰম্ভ হোৱাৰ পাছত বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। অৱশ্যে মোহালী অথবা ধৰমশালাত কোনো মেচ অনুষ্ঠিত নহয়।

পূৰ্বে আহমেদাবাদত হ'বলগীয়া মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে পঞ্জাব কিংছৰ খেলখন অহা ২৬ মে'ত জয়পুৰৰ এছ এম এছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

00000

সমাপ্ত